# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 03-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ নিষ্ঠাপূৰ্ণ আৰু অভিনৱ প্ৰয়াসৰ বাবেই যক্ষ্মা ৰোগত আক্ৰান্ত লোকৰ সংখ্যা হ্ৰাস পাইছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে ভাৰতে অনাগত সময়ত অষ্ট্ৰেলিয়াৰ সৈতে সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব পৰা পৰিকাঠামো বিকশাই তুলিছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি ভাতৃ-ভগ্নীৰ পৱিত্ৰ বান্ধোনৰ নিদৰ্শনস্বৰূপ ভাতৃ দ্বিতীয়া, ভাইদুজ বা ভাইফোটা উৎসৱ পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে।

৪। কাশ্মীৰ উপত্যকাৰ আকাশবাণী কাৰ্যালয়ৰ সমীপৰ দেওবৰীয়া বজাৰত আজি বিয়লি হোৱা গ্ৰেনেড বিস্ফোৰণত কমেও ১০ গৰাকী অসামৰিক লোক আহত হয়। ***আৰু***

৫। নিউজিলেণ্ডে আজি তৃতীয় তথা অন্তিমখন টেষ্টত ভাৰতক ২৫ ৰাণত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ নিষ্ঠাপূৰ্ণ আৰু অভিনৱ প্ৰয়াসৰ বাবেই যক্ষ্মা ৰোগত আক্ৰান্ত লোকৰ সংখ্যা হ্ৰাস পাইছে। এই ক্ষেত্ৰত দেশৰ প্ৰগতিৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে, চৰকাৰে সমূহীয়া ভাৱনাৰে যক্ষ্মামুক্ত ভাৰতৰ হকে কাম কৰি যাব। তেওঁ কয় যে, চৰকাৰ যক্ষ্মামুক্ত ভাৰত গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিত অটল হৈ আছে।

বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা মতে, ভাৰতত ২০১৫ ৰ পৰা ২০২৩ বৰ্ষলৈ যক্ষ্মা ৰোগৰ ঘটনা ১৭ দশমিক ৭ শতাংশ হ্ৰাস পাইছে। এই হাৰ যক্ষ্মা ৰোগী হ্ৰাস পোৱা ৮ দশমিক ৩ শতাংশৰ গোলকীয় হাৰৰ দুগুণৰো অধিক। সামাজিক মাধ্যমযোগে কালি এই কথা সদৰি কৰি স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কয় যে, এই সাফল্যই যক্ষ্মা ৰোগ নিয়ন্ত্ৰণৰ বাবে ভাৰতৰ ৰূপান্তৰকাৰী দৃষ্টিভংগীকে প্ৰতিফলিত কৰে। তেওঁ কয় যে চৰকাৰে যক্ষ্মা ৰোগীসকলক আৱশ্যকীয় পৰিপুষ্টি সাহায্য প্ৰদানৰ অৰ্থে নি-ক্ষয় পোষণ যোজনাৰ লেখিয়া উদ্যম গ্ৰহণ কৰি ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মুলকৰণ কাৰ্যসূচীৰ সম্প্ৰসাৰ কৰিছে আৰু এই কাৰ্যসূচী অধিক শক্তিশালী কৰি তুলিছে।

ooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে ভাৰতে অনাগত সময়ত অষ্ট্ৰেলিয়াৰ সৈতে সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব পৰা পৰিকাঠামো বিকশাই তুলিছে। অষ্ট্ৰেলিয়া আৰু ছিংগাপুৰ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি

ব্ৰীছবেনত প্ৰৱাসী ভাৰতীয়সকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, উচ্চ বিকাশৰ পথত অগ্ৰসৰ হৈছে আৰু দেশে বিশ্বৰ সৈতে আগবাঢ়িব বিচাৰে। তেওঁ কয় যে, ভাৰতৰ কেইখনমান বচা বচা দেশৰ সৈতে সৰ্বাত্মক কৌশলগত সম্পৰ্ক আছে আৰু অষ্ট্ৰেলিয়া তেনে এখন দেশ। শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত গোলকীয় সহযোগিতাৰ অপাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে। অষ্ট্ৰেলিয়া ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ব্ৰীছবেনত ভাৰতৰ চতুৰ্থটো বাণিজ্যিক দূতাবাস মুকলি কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱঙৰ সৈতে কেনবেৰাত হ'বলগীয়া মন্ত্ৰীপৰ্যায়ৰ পঞ্চদশ পৰিকাঠামো বৈঠকত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰীগৰাকীয়ে অষ্ট্ৰেলিয়াৰ সংসদ ভৱনত হ'বলগীয়া দ্বিতীয় ৰাইছিনা ডাউন আণ্ডাৰ সন্মিলনৰ উদ্বোধনী সত্ৰতো মূল ভাষণ প্ৰদান কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ নেতৃবৰ্গ, সাংসদ, প্ৰবাসী ভাৰতীয়, আগশাৰীৰ ব্যৱসায়ী আৰু অন্য বিশিষ্ট ব্যক্তিসকলৰ সৈতেও মত বিনিময় কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ড০ জয়শংকৰ ৮ নৱেম্বৰত ছিংগাপুৰত উপস্থিত হ'ব। তাত তেওঁ আছিয়ান-ভাৰত উপদেষ্টা বিশেষজ্ঞ গোটৰ অষ্টম ঘূৰণীয়া মেজমেলক সম্বোধন কৰিব। তেওঁ লগতে দুয়ো দেশৰ মাজৰ ঘনিষ্ঠ সহযোগিতাৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে ছিংগাপুৰৰ নেতৃবৰ্গক সাক্ষাৎ কৰি দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উপায় অন্বেষণ কৰিব।

০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি ভাতৃ-ভগ্নীৰ পৱিত্ৰ বান্ধোনৰ নিদৰ্শনস্বৰূপ ভাতৃ দ্বিতীয়া, ভাইদুজ বা ভাইফোটা উৎসৱ পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় জাহাজ পৰিবহন, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশবাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভাতৃ দ্বিতীয়াই ভাই ভনীসকলৰ মাজৰ মৰম চেনেহৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে তেওঁৰ বাৰ্তাত  মৰম ভালপোৱা আৰু নিষ্ঠাৰ এই উৎসৱে সকলোৰে জীৱনলৈ সুখ সমৃদ্ধি কঢ়িয়াই আনিব বুলি কামনা কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি কয় যে, ভাতৃ আৰু ভগ্নীৰ সম্পৰ্ক অতুলনীয়। চেনেহ জৰিৰে গঁথা এই সম্পৰ্কই এখন ঘৰ আৰু সমাজক আগবঢ়াই নিয়াত অৰিহণা যোগাব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে সকলো ভাতৃ-ভগ্নীৰ কুশল কামনা কৰে। মন্ত্ৰী কেশৱ মহন্তয়েও এই উৎসৱ উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি পৰম্পৰাগত এই উৎসৱে ভাতৃ-ভগ্নীৰ স্নেহবন্ধন অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, বিজেপি ক্ষমতালৈ আহিলে দলে ঝাৰখণ্ডৰ সকলো দুৰ্নীতিগ্ৰস্ত নেতাকে কাৰাগাৰলৈ প্ৰেৰণ কৰিব। চত্ৰাত আজি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি বিজেপি নেতাগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেঁও কয় যে, বিজেপিয়ে অকল হেমন্ত চোৰেণক ক্ষমতাৰ পৰা আঁতৰ কৰাৰ বাবে নহয় বৰং ঝাৰখণ্ডত পৰিৱৰ্তনৰ সূচনা কৰাৰ বাবেহে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। বিজেপি নেতাগৰাকীয়ে কয় যে, তেওঁলোকে বিগত ৫ বছৰত ঝাৰখণ্ডৰ পৰা নক্সালবাদৰ বিভিষিকা দূৰ কৰিছে আৰু

প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এতিয়া ২০২৬ৰ মাৰ্চৰ ভিতৰত নক্সালবাদক দেশৰ পৰাই পুলিয়ে পোখাই উৎখাত কৰিব।

০০০

কাশ্মীৰ উপত্যকাৰ আকাশবাণী কাৰ্যালয়ৰ সমীপৰ দেওবৰীয়া বজাৰত আজি বিয়লি হোৱা গ্ৰেনেড বিস্ফোৰণত কমেও ১০ গৰাকী অসামৰিক লোক আহত হয়। সংবাদদাতাই জনোৱা অনুসৰি টি আৰ চি ক্ৰছিঙৰ সমীপত নিৰাপত্তা বাহিনীৰ বাহনলৈ লক্ষ্য কৰি সন্দেহযুক্ত সন্ত্ৰাসবাদীয়ে দলিওৱা গ্ৰেনেড লক্ষ্যভ্ৰষ্ট হৈ পথত বিস্ফোৰিত হয়। এই ঘটনাত কমেও ১০ গৰাকী অসামৰিক লোক আহত হোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, শীতকালীন সা-সামগ্ৰী ক্ৰয়ৰ বাবে দেওবৰীয়া বজাৰখনত ব্যাপক সংখ্যক জনসমাগম হৈছিল। ইতিমধ্যে আৰক্ষীয়ে সমগ্ৰ অঞ্চলটো ঘেৰি ধৰি আক্ৰমণকাৰীৰ সন্ধান অব্যাহত ৰাখিছে।

ইতিমধ্যে উপ ৰাজ্যপাল মনোজ সিনহাই এই সন্দৰ্ভত আৰক্ষী সঞ্চালক প্ৰধান নলীন প্ৰভাত আৰু সুৰক্ষা সংস্থাসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। উপ ৰাজ্যপালগৰাকীয়ে সন্ত্ৰাসবাদী তথা এই ক্ষেত্ৰত সহযোগিতা কৰা সকলক শাস্তি দিয়াৰ উদ্দেশ্যে সক্ৰিয় আৰু শক্তিশালী অভিযান চলাবলৈ নিৰাপত্তা বিষয়াসকলক নিৰ্দেশ দিয়ে। চৰকাৰে সন্ত্ৰাসবাদীৰ অসাধু উদ্দেশ্য সফল হবলৈ নিদিয়ে বুলি উপ ৰাজ্যপলগৰাকীয়ে প্ৰকাশ কৰে। তেঁও কয় যে, অসামৰিক লোকসকলক উদ্দেশ্য কৰি লোৱা সন্ত্ৰাসবাদীয়ে সিহতৰ কাম-কাজৰ বাবে বৃহৎ মূল্য ভৰিব লাগিব। সন্ত্ৰাসবাদ দমন কৰিবলৈ নিৰাপত্তা বিষয়াসকলৰ পূৰ্ণ স্বাধীনতা আছে বুলি সদৰি কৰি তেওঁ এই ক্ষেত্ৰত সৰ্বোতপ্ৰকাৰৰ প্ৰচেষ্টা অ্যাহত ৰাখিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীসিনহাই আহতসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগেত জিলা প্ৰশাসনক এইক্ষেত্ৰত পূৰ্ণ সহযোগিতা আহবঢ়াবলৈ নিৰ্দেশ দিয়ে।

০০০

চৰকাৰে কৈছে যে, পাইকাৰী বজাৰলৈ ৯০ লাখ টনৰো অধিক ধান আহিছে। ইয়াৰ ভিতৰত পাঞ্জাবত ৮৫ লাখ টনৰো অধিক ধান  ৰাজ্যিক সংস্থাসমূহে আৰু ভাৰতীয় খাদ্য নিগমে ক্ৰয় কৰিছে।  গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে এ গ্ৰেড ধানৰ বাবে ধাৰ্য্য কৰা প্ৰতিকুইণ্টলত ২ হেজাৰ ৩২০ টকা মূল্যত এই ধান ক্ৰয় কৰা হৈছে। চৰকাৰে বৰ্তমানলৈকে এইবাৰৰ খাৰিফ বিপনন বৰ্ষত ১৯ হাজাৰ ৮০০ কোটি টকাৰ ধান ক্ৰয় কৰিছে আৰু ইয়াৰ পৰা ৪ লাখ খেতিয়ক উপকৃত হৈছে।

পাঞ্জাবত ২০২৪-২৫ খাৰিফ বিপনন বৰ্ষৰ বাবে পহিলা অক্টোবৰত ধান ক্ৰয়ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু খেতিয়কৰ পৰা নিয়াৰিকৈ দান ক্ৰয়ৰ উদ্দেশ্যে ৰাজ্যখনত ২ হেজাৰ ৯০০ মনোনীত পাইকাৰী বজাৰ আৰু অস্থায়ী বিপননথলী মুকলি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ৩০ নৱেম্বৰলৈ অব্যাহত থাকিবলগীয়া চলিত বিপনন সত্ৰ ১৮৫ লাখ টন ধান ক্ৰয়ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০

কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে,  কেৰালাৰ অংমালিৰ পৰা এৰুমেলিলৈ মূল শাৰীবিন্যাস অনুসৰি ছবৰি ৰেলপথ নিৰ্মাণ কৰিবলৈ  কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। ত্ৰিছু ৰেল ষ্টেছনত আজি দুপৰীয়া এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে এই প্ৰকল্প সন্দৰ্ভত ৰাজ্য চৰকাৰলৈ বিন্যাস প্ৰেৰণ কৰিব আৰু  বিন্যাস পূৰণ কৰাৰ পাছত ইয়াক আগুৱাই নিয়া হ'ব। কেৰালা চৰকাৰৰ প্ৰস্তাৰিত দ্ৰুত গতিৰ কেৰেল প্ৰকল্প সন্দৰ্ভত শ্ৰীবৈষ্ণৱে কয় যে, এই প্ৰকল্পৰ সৈতে জড়িত পৰিবেশজনিত

বিষয়সমূহ  শীঘ্রে নিষ্পত্তি কৰা হ'লে এই প্ৰকল্পও আৰম্ভ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰ কেৰালাত ৰেলৱেৰ সামৰ্থ বৃদ্ধি কৰিবলৈ আগ্ৰহী বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়  যে, মেংলোৰৰ পৰা ছোৰনুৰলৈ তৃতীয় আৰু চতুৰ্থ আৰু ছোৰনুৰৰ পৰা কোট্টায়ম হৈ তিৰুৱনন্তপুৰমলৈ তৃতীয় ৰেলপথ নিৰ্মাণত কেন্দ্ৰই বিশেষ গুৰুত্ব দিছে। তেওঁ কয় যে, ৰেলৱেৰ উন্নয়ন ৰাজনীতিৰ উৰ্ধত হোৱা উচিত আৰু জনসাধাৰণৰ সামগ্ৰিক উন্নয়নত গুৰুত্ব আৰোপ কৰিব লাগে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই,  আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

০০০

নিউজিলেণ্ডে আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত চলিত টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতক ২৫ ৰাণত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰে। ভাৰতে ১৪৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১২১ ৰাণতে আটাইকেইটা উইকেট হেৰুৱাই নিউজিলেণ্ডৰ এজাজ পেটেলে ৬ টা উইকেট দখল কৰে। নিউজিলেণ্ডে প্ৰথম ইনিংছত ২৩৫ আৰু দ্বিতীয় ইনিংছত ১৭৪ ৰাণ সংগ্ৰহ কৰে। ভাৰতে প্ৰথম ইনিংছত ২৬৩ ৰাণ সংগ্ৰহ কৰিছিল। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথমখন টেষ্টত ৮ উইকেটত আৰু দ্বিতীয়খনত ১১৩ ৰাণত জয়লাভ কৰিছে। ভাৰতে ১২ বছৰৰ মুৰত দেশৰ মাটিত টেষ্ট শৃংখলাত পৰাজিত হৈছে।

০০০

সমাপ্ত